# বস্ত্ৰ মন্ত্ৰণালয়ৰ
# মিল গেট প্ৰাইচ স্কীম

পাতনি ঃ

সমগ্ৰ দেশজুৰি আৰু বিশেষকৈ গ্ৰামাঞ্চলত বিস্তৃত হৈ থকা হস্ততাঁত শিল্প এটা শ্ৰম প্ৰাধান্য থকা খণ্ড। বয়ন আৰু আনুষঙ্গিক কাৰ্য্যৰ জৰিয়তে হস্ততাঁত খণ্ডই ৬৫ লাখতকৈও অধিক ব্যক্তিক কৰ্ম্ম সংস্থাপন দিছে (হস্ততাঁত আৰু বিদ্যুৎচালিত তাঁতশালৰ ১৯৯৫-৯৬ৰ যুটীয়া জৰীপ অনুসৰি)। এই শিল্পত ব্যৱহৃত প্ৰধান কেচাঁ সামগ্ৰী হৈছে সূতা আৰু এই সূতা উৎপাদিত হয় সূতাকটা কলসমূহত (স্পিনিং মিল)। সূতাৰ ব্যৱসায়টো নিয়ন্ত্ৰিত হৈ আছিল ব্যৱসায়ী সকলৰ দ্বাৰা আৰু অধিকাংশ শিপিনীয়ে প্ৰয়োজনীয় কেচাঁমালৰ বাবে এই ব্যৱসায়ীসকলৰ ওপৰত নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছিল। এই ব্যৱস্থাৰ ফলত অনিয়ন্ত্ৰিতভাৱে সূতাৰ দাম বৃদ্ধি পোৱাৰ লগতে প্ৰয়োজনীয় সূতাৰ নাটনিও ঘটিছিল।

এই সমস্যা দূৰ কৰাৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ৰ শীৰ্ষ সংস্থা এটা গঠনৰ বাবে ভাৰত চৰকাৰে প্ৰয়োজন অনুভৱ কৰিলে যাতে সূতাৰ বজাৰত এক ফলপ্ৰসূ পদক্ষেপ ল'ব পৰা যায়। সেয়েহে ১৯৮৩ চনত 'নেচনেল হেণ্ডলুম ডেভেলপমেন্ট কৰ্পৰেচন' নামেৰে কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ এটি সংস্থা স্থাপন কৰা হয়। এই সংস্থাটো স্থাপনৰ মূল উদ্দেশ্যে হৈছে এক শৃঙ্খলাবদ্ধ পদ্ধতিৰ জৰিয়তে সমগ্ৰ দেশৰ শিপিনী সকলৰ মাজত প্ৰয়োজনীয় আৰু উপযুক্ত মানদণ্ডৰ সূতা পৰ্য্যাপ্ত পৰিমাণে যোগান ধৰা। এটি বিশেষ অঞ্চলত উৎপাদিত সূতা নিৰ্ভৰ কৰে সেই বিশেষ অঞ্চল আৰু দাঁতিকাষৰীয়া অঞ্চলত উপলব্ধ কপাহৰ মানদণ্ডৰ ওপৰত। আনহাতে, এটি বিশেষ অঞ্চলৰ শিপিনীয়ে ব্যৱহাৰ কৰা সূতা নিৰ্ভৰ কৰে সেই অঞ্চলত বৰ্তি থকা আৰ্হি বা চানেকীৰ ব্যৱহাৰৰ ওপৰত। সেয়েহে, বহুক্ষেত্ৰত, শিপিনীয়ে আন অঞ্চলত উৎপাদিত সূতাৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। এঠাইৰ পৰা আন ঠাইলৈ সূতা পৰিবহন কৰিবলগীয়া হোৱাৰ ফলত সূতাৰ দাম লক্ষ্যণীয়ভাৱে বৃদ্ধি হৈছে আৰু শিপিনীসকল যথেষ্ঠ অসুবিধাৰ সন্মুখীন হৈছে। এই দিশটোৰ প্ৰতি লক্ষ্য ৰাখিয়ে সূতাকটা মিলত উৎপাদিত সূতাৰ যি মূল্য সেই একেই মূল্যত সূতা যোগান ধৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ১৯৯২ চনত এক আঁচনি (মিল গেট প্ৰাইচ স্ক্ৰীম) প্ৰৱৰ্তন কৰে। এই আঁচনিৰ অধীনত সূতা যোগানৰ ক্ষেত্ৰত উদ্ভৱ হেৰা পৰিবহন ব্যয় কেন্দ্ৰীয় চৰকাৰে পৰিশোধ কৰে।

আঁচনিখন ৰূপায়ণৰ বাবে এন. এইচ. ডি.চিক (নেচনেল হেণ্ডলুম ডেভেলপমেন্ট কৰ্পৰেচন) "নোডেল এজেন্সি" হিচাবে দায়িত্ব অৰ্পণ কৰা হৈছে।

এন. এইচ. ডি. চিক তেওঁলোকৰ কাম-কাজ সুদৃঢ় কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে "ইকুইটি" দিয়াৰ ব্যৱস্থা কৰিছে। যিহেতু এন. এইচ. ডি. চিৰ মূল কাম "মিল গেট প্ৰাইচ স্কীম" আঁচনিখন ৰূপায়ণৰ বিষয়টো ইয়াৰ মূলধন বৃদ্ধিৰ এক অবিচ্ছেদ্য অংগ, সেয়েহে এন,এইচ,ডি,চি'ক টনকিয়াল কৰাৰ বাবে 'মিল গেট প্ৰাইচ স্ক্ৰীম' আঁচনিৰ সৈতে এন.এইচ.ডি.চিত অংশ বিনিয়োগ একত্ৰীকৰণৰ বাবে বিবেচনা কৰা হৈছে। সেয়েহে "মিলগেট প্ৰাইচ স্কীম" আঁচনিখনৰ দুটা অংশ আছে। যেনে— ১) সূতা কটা মিলত উৎপাদিত সূতাৰ যি মূল্য সেই একে মূল্যত সূতাৰ যোগান আৰু (২) এন.এইচ.ডি.চিত বিনিয়োগ কৰা।

# বস্ত্ৰ মন্ত্ৰণালয়ৰ

# "মিলগেট প্ৰাইচ স্কীম"

(ক) **সূতা কটা মিলৰ উৎপাদিত মূল্যত সূতা যোগান -**

**১। উদ্দেশ্য -** এই অংশটিৰ উদ্দেশ্য হৈছে মিলত উৎপাদিত সূতাৰ যি মূল্য সেই একেই মূল্যতে সকলো ধৰণৰ সূতা প্ৰকৃত শিপিনীয়ে পৰ্য্যাপ্ত পৰিমানে লাভ কৰিব পাৰে আৰু ইয়াৰ দ্বাৰা কেঁচা মালৰ অবিৰত যোগানৰ সুবিধা গ্ৰহণ কৰি হস্ততাঁত খণ্ডত যথেষ্ট কৰ্ম্মসংস্থাপনৰ পথ নিশ্চিত কৰিব পাৰে।

**২। আচঁনি খনৰ প্ৰায়োগীক সম্ভাৱনা -** এই আচঁনিৰ পৰা লাভন্বিত হ'বলৈ হ'লে সংস্থা সমূহৰ (নিম্নোল্লেখিত) ধৰণৰ যোগ্যতা থাকিব লাগিব।

**২-১** ক) ৰাষ্ট্ৰীয় / ৰাজ্যিক / আঞ্চলিক / প্ৰাথমিক স্তৰৰ সকলো হস্ততাঁত সংস্থা।

খ) হস্ততাঁত উন্নয়ণ কেন্দ্ৰ।

গ) হস্ততাঁত বস্ত্ৰ উৎপাদনকাৰী/ ৰপ্তানিকাৰী/ এইচ. ই. পি. চিত পঞ্জীয়ণ ভুক্ত উৎপাদনকাৰী/ বস্ত্ৰ মন্ত্ৰালয়ৰ অধীনস্থ যি কোনো ৰপ্তানী উন্নয়ন পৰিষদ /উদ্যোগ বিভাগৰ সঞ্চালক /ৰাজ্যৰ হস্ততাঁত বস্ত্ৰশিল্প বিভাগ /কেন্দ্ৰীয় শাসিত অঞ্চল।

ঘ) সমূহ অনুমোদিত ৰূপ্তানিকাৰী সংস্থা /ব্যৱসায়িক সংস্থা / হস্ততাঁত সামগ্ৰী উৎপাদনকাৰী/অগ্ৰণী ব্যৱসায়িক সংস্থা।

ঙ) স্বীকৃতিপ্ৰাপ্ত সদস্য/অনুমোদিত হস্ততাঁত সংস্থা।

চ) **কাপাৰ্টৰ নিয়মাৱলীৰ অধীনত থকা বেচৰকাৰী সংস্থা সমূহ।**

**ছ) কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ হস্ততাঁত উন্নয়ন আয়ুক্তৰ অনুমোদিত আন সংস্থা সমূহ।**

**২-২** হস্ততাঁত বস্ত্ৰ উৎপাদনৰ বাবে প্ৰয়োজনীয় সকলো ধৰণৰ সূতা পৰ্যাপ্ত পৰিমানে মিলগেট মূল্যত উপলব্দ কৰা মিলগেট প্ৰাইচ বা মিলগেট মূল্যৰ অৰ্থ হৈছে যি মূল্যত ৰেছম সূতা, ৰঙীণ /প্ৰস্তুত সূতা আৰু কপাহী সূতা ক্ৰমান্বয়ে পঞ্জীয়নভূক্ত অনুজ্ঞাপত্ৰ থকা ৰেছম ব্যৱসায়ী প্ৰস্তুত / ৰং কৰা কাৰখানা আৰু সূতা কটা কল (মিল) ৰ পৰা ক্ৰয় কৰা হয়। ৰেছম সূতা আৰু ৰঙীণ / প্ৰস্তুত সূতাৰ ক্ষেত্ৰত ব্যৱহাৰকাৰী সংস্থা আৰু এন. এইচ. ডি. চিয়ে সকলো দেয়ক নিজ স্ব বেঙ্ক আমানতৰ পৰা A /C payee cheque ৰ দ্বাৰাহে কৰিব পাৰিব।

**৩** <u>**সাংগঠনিক ব্যৱস্থাপনা-**</u>

৩-১ এই আঁচনি ৰূপায়নৰ দায়িত্বত থাকিব এন. এইচ. ডি. চি।

৩-২ যোগ্য সংস্থা সমূহক দফা ২-১ ত উল্লেখ কৰা ধৰণে এন. এইচ. ডি. চি য়ে এই সামগ্ৰী সমূহৰ যোগান ধৰিব।

**৪ যোগান ব্যৱস্থা -**

৪-১ উপযুক্ত সংস্থা সমূহে আচঁনিৰ অধীনত এন. এইচ. ডি. চি ত সামগ্ৰী সংগ্ৰহৰ তালিকা দাখিল কৰিব লাগিব।

৪-২ চাহিদাৰ বিৰৰণ অনুযায়ী সামগ্ৰী যোগানৰ বাবে এন. এইচ. ডি চি য়ে যোগানকাৰী সৈতে জোট বন্ধণ কৰিব।

৪-৩ এই আচঁনিৰ অধীনত ব্যৱহাৰকাৰী সংস্থাই সংগ্ৰহ কৰা কেচা সামগ্ৰীৰে হস্ততাঁত বস্ত্ৰ উৎপাদনৰ বাবে নিৰ্দিষ্ট কৰিব বা সংস্থা সমূহৰ সদস্যভুক্ত কমিটি/ পোনপটীয়া ভাৱে নিয়ন্ত্ৰিত শিপিনীক যোগান ধৰিব যাতে তেওঁলোকে আঁচনিৰ অধীনত লাভান্বিত হব।

প্ৰত্যেক ব্যৱহাৰকাৰী সংস্থাই এই সন্দৰ্ভত কাৰ্য্যকাৰী হোৱাৰ বাবে নিৰ্দিষ্ট প্ৰ-পত্ৰ যোগে (অনুবাদ ১) এন. এইচ. ডি চি ত দায়িবদ্ধতাৰ প্ৰমানপত্ৰ দাখিল কৰিব।

**৫- পৰিশোধৰ দাবী-**

৫-১ কেন্দ্ৰীয় চৰকাৰে মিলগেট প্ৰাইচ্ স্কীমৰ অধীনত ৫.২ দফাত উল্লেখ কৰা ধৰণে নিম্ন উল্লেখিত সুবিধা সমূহ প্ৰদান কৰিব।

ক) সূতাৰ পৰিবহনৰ বাবে ব্যয় হোৱা খৰচৰ পৰিশোধ ।

খ) প্ৰকৃত খৰছৰ ওপৰত ভিত্তি কৰি ২.৫% হাৰে সূতাৰ ভড়াল পৰিচালিত কৰাৰ খৰছ।

গ) মিলগেট প্ৰাইচ স্কীম, আঁচনিখন ৰূপায়নৰ ক্ষেত্ৰত ‘নোডেল এজেন্সি’ৰ ভূমিকা লোৱাৰ বাবে এন. এইচ. ডি. চি. ক সেৱা কৰ (service tax) প্ৰদান কৰিব।

ওপৰোক্ত সুবিধা সমূহৰ ভিতৰত ‘ক’ আৰু ‘খ’ ত সন্নিবিষ্ট কৰা ধন এন. এইচ. ডি. চি য়ে ব্যৱহাৰ কাৰী সংস্থা (২.১ দফাত উল্লেখিত) সমূহক প্ৰদান কৰিব আৰু পৰবৰ্ত্তী পৰ্য্যায়ত এন. এইচ. ডি.চি ক এই ধন কেন্দ্ৰীয় চৰকাৰে পৰিশোধ কৰিব।

৫.২ সূতাৰ পৰিবহনৰ বাবে হোৱা খৰছৰ পৰিশোধ ভড়াল পৰিচালিত কৰা খৰচ আৰু এন. এইচ. ডি. চি ৰ সেৱা কৰ এনে ধৰণৰ-

ক) ভৈয়ামত যোগান ধৰা বাবদ-

(সূতা যোগানৰ ............. % মূল্য)

| সূতাৰ বিৰৰণ | পৰিবহনৰ ব্যয়ৰ বিপৰীতে পৰিশোধৰ উচ্চ সীমা | সূতা ভড়াল পৰিচালনাৰ খৰচ | এন.এইচ. ডি. চিৰ সেৱা খৰচ |
|---|---|---|---|
| ৰেচম আৰু মৰাপাটৰ সূতাৰ বাদে | ১.০ % (শতাংশ) | ২.৫ % (শতাংশ) | ১.৫%% (শতাংশ) |
| ৰেচম সূতা | ১.০ % (শতাংশ) | ২.৫ % (শতাংশ) | ১.৫ % (শতাংশ) |
| মৰাপাট সূতা | ৭.০ % (শতাংশ) | ২.৫ % (শতাংশ) | ১.৫ % (শতাংশ) |

### খ) পাৰ্বত্য এলেকা আৰু দুৰ্নীবতীয়া অঞ্চলত যোগান ধৰা বাবদ-

| সূতাৰ বিৱৰণ | পৰিবহনৰ ব্যয়ৰ বিপৰীতে পৰিশোধৰ উচ্চ সীমা | সূতা ভড়াল পৰিচালনাৰ খৰচ | এন.এইচ. ডি. চিৰ সেৱা খৰচ |
|---|---|---|---|
| ৰেচম আৰু মৰাপাটৰ সূতাৰ বাদে | ১.৭৫ % (শতাংশ) | ২.৫ % (শতাংশ) | ১.০ % (শতাংশ) |
| ৰেচম সূতা | ১.২৫ % (শতাংশ) | ২.৫ % (শতাংশ) | ১.০ % (শতাংশ) |
| মৰাপাট সূতা | ৮.০ % (শতাংশ) | ২.৫ % (শতাংশ) | ১.০ % (শতাংশ) |

### গ) উত্তৰ পূৰ্বাঞ্চলত যোগান ধৰা বাবদ-

| সূতাৰ বিৱৰণ | পৰিবহনৰ ব্যয়ৰ বিপৰীতে পৰিশোধৰ উচ্চ সীমা | সূতা ভড়াল পৰিচালনাৰ খৰচ | এন.এইচ. ডি. চিৰ সেৱা খৰচ |
|---|---|---|---|
| ৰেচম আৰু মৰাপাটৰ সূতাৰ বাদে | ৩ % (শতাংশ) | ২.৫ % (শতাংশ) | ০.৭৫ % (শতাংশ) |
| ৰেচম সূতা | ১.৫ % (শতাংশ) | ২.৫ % (শতাংশ) | ০.৭৫ % (শতাংশ) |
| মৰাপাট সূতা | ৮.৫ % (শতাংশ) | ২.৫ % (শতাংশ) | ০.৭৫ % (শতাংশ) |

**৫-৩** দফা ৫.২ ত উল্লেখ কৰা ধৰণে এন. এইচ. ডি.চি য়ে পৰিবহণৰ ব্যয়ৰ বাবে হোৱা খৰচ পৰিশোধ কৰিব যদিহে কেঁচামালৰ যোগান পোনপটীয়াকৈ যোগান ধৰে। সূতাৰ ভড়ালৰ জৰিয়তে কেঁচামাল যোগান ধৰিলে পৰিবহন খৰচ পৰিশোধ কৰা নহব।

**৫-৪** এন. এইচ. ডি.চি য়ে লাভ কৰা সাহাৰ্য্যৰ ওপৰত ভিত্তি কৰি ওপৰৰ দফা ৫.২ ত দেখুৱা ধৰণে পৰিবহনৰ ব্যয় পৰিশোধ কৰিব। উত্তৰ পূৰ্ব্বাঞ্চলৰ বিশেষ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি পৰিবহন ব্যয়ৰ পৰিশোধৰ ধাৰ বৃদ্ধি কৰা হৈছে। সূতা কটা মিলৰ পৰা ব্যৱহাৰকাৰী সংস্থা সমূহলৈ কেঁচামাল পৰিবহনৰ বাবে সাম্বাভ্য খৰচ, প্ৰৱৰ্ত্তিত মূল্য আৰু আয়তনৰ ওপৰত নিৰ্ভৰ কৰি পৰিশোধৰ হাৰ নিৰ্ণয় কৰিব। উত্তৰ পূৰ্বাঞ্চল আৰু পাৰ্বত্য এলেকা আৰু দুৰ্ণীবতীয়া অঞ্চল বিলাকক প্ৰাধান্য দিয়া হৈছে।

**৫-৫** সূতাৰ খৰচৰ ওপৰিও, সূতা সংগ্ৰহ কৰা কেন্দ্ৰ, যেনে সূতা কটা মিল/পঞ্জীয়ন ভূক্ত অনুজ্ঞাপত্ৰ থকা ৰেচম্ ব্যৱসায়িক আৰু প্ৰস্তুত কৰ্ত্তা সূতা ৰং কৰা গৃহৰ পৰা ব্যৱহাৰকাৰী সংস্থাৰ গুদাম বা পৰিচালিত এলেকালৈ সূতা যোগান ধৰাৰ বাবে হোৱা পৰিবহন ব্যয় এন. এইচ. ডি. চি য়ে বহন কৰিব। পৰিবহন ব্যয়ৰ হিচাব সৰলভাৱে কৰাৰ বাবে এন. এইচ.ডি.চি য়ে যোগান ধৰা সামগ্ৰীৰ বিপৰীতে পৰিবহণ ব্যয় ব্যৱহাৰকাৰী সংস্থাই বহন কৰিব আৰু পৰৱৰ্ত্তী পৰ্য্যায়ত এন. এইচ.

ডি.চি য়ে ব্যৱহাৰকাৰী সংস্থাক ত্ৰিমাশিক ভিত্তিত দেয়ক সামগ্ৰীপ্ৰাপ্তিৰ সম্পৰ্কীয় পৰিবহনৰ নথিপত্ৰ দাখিল সাপেক্ষে পৰিবহন ব্যয় পৰিশোধ কৰিব। পৰিবহন ব্যয়ৰ প্ৰকৃত খৰচ অথবা দফা ৫-২ ত দেখুৱা ধৰনে হিচাব কৰাৰ অন্তত যিটোৰ পৰিমান কম মূল্যৰ হয় সেইটো পৰিশোধৰ বাবে প্ৰযোজ্য হব। পৰিবহন ব্যয়ৰ এই খৰচ এন. এইচ. ডি চি. য়ে চেক যোগে ব্যৱহাৰকাৰী সংস্থাক আদায় দিব আৰু কোনো ক্ষেত্ৰতে এই ধন পৰিবহনকাৰী সংস্থাক আদায় দিব নোৱাৰিব। কেন্দ্ৰীয় চৰকাৰে এন. এইচ. ডি. চিত পৰিবহনৰ ব্যয় যথা সময়ত পৰিশোধ কৰিব। সূতা ক্ৰয়ৰ বিৱৰণ, পৰিবহন ব্যয় আদিৰ সন্দৰ্ভত ব্যৱহাৰকাৰী সংস্থাই নিৰ্দ্দিষ্ট প্ৰ-পত্ৰ যোগে দাখিল কৰিব লাগিব। (এপেনডিক্স - "বি" এনেক্সাৰ- II)

**৫-৬** এই সংক্ৰান্তত এন. এইচ. ডি.চি য়ে আগতীয়াভাৱে সূতা সংগ্ৰহৰ ফলপ্ৰসু আঁচনি লব যাতে অবিৰত ভাৱে নিকতৱৰ্ত্তী সূতাকটা মিলৰ পৰা (সেই ৰাজ্য বা ওচৰৰ ৰাজ্যই) সূতা যোগান নিশ্চিত কৰিব পৰা যায়।

**৫-৭** ব্যৱহাৰকাৰী সংস্থালৈ বিক্ৰী কৰা সূতা সেই ব্যৱহাৰকাৰী সংস্থাই প্ৰকৃততে পোৱাৰ পিচতহে চৰকাৰী সাহাৰ্য্য লাভ কৰিব। হস্ততাঁত উন্নয়ণ আয়ুক্ত কাৰ্য্যালয়ৰ দ্বাৰা নিৰ্দ্দিষ্ট কৰি দিয়া প্ৰ-পত্ৰৰ জৰিয়তে ত্ৰিমাশিক ভিত্তিত নিৰ্ধাৰিত হাৰত এন. এইচ. ডি.চি ক কেন্দ্ৰীয় চৰকাৰে এই সাহাৰ্য্য প্ৰদান কৰিব। হিচাব পৰীক্ষকৰ প্ৰমাণ পত্ৰৰ ওপৰিও ব্যৱহাৰকাৰী সংস্থা সমূহৰ বিপৰীতে যোগান ধৰা সূতাৰ বিৱৰণ ইত্যাদি নিৰ্দ্দিষ্ট প্ৰ-পত্ৰযোগে দাখিল কৰিব লাগিব।

**৫-৮** ব্যৱহাৰকাৰী সংস্থা সমূহে খৰচ কৰা পৰিবহন ব্যয় সময় মতে পৰিশোধ কৰা বাবে এন. এইচ. ডি. চি. ক ১০০ লাখ টকা প্ৰতিটো তিনি মাহৰ আগতে দিয়া হব। এই ধন ৰাশি পিচৰ তিনি মাহৰ সম্পূৰ্ণ দাবী (বিল) ৰ বিপৰীতে মিলাই দিয়া হ ব যদিহে এন. এইচ. ডি.চি য়ে পূৰ্বৱৰ্ত্তী বৰ্ষৰ বিপৰীতে হিচাব নিস্পত্তি কৰে।

**৬ ভড়াল পৰিচালনা ঃ**

**৬-১** উদ্দেশ্য ঃ- দূৰনিবটীয়া আৰু ভিতৰুৱা অঞ্চলৰ শিপিনীসকলে ব্যৱহাৰৰ বাবে সূতা নোপোৱাৰ সমস্যাত প্ৰায়ে ভূগি থকাৰ বাবে যথা সময়ত সূতা যোগানৰ বাবে এটি পৰিকাঠামো সৃষ্টি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে। সেয়েহে, সকলো ধৰণৰ সূতা অবিৰতভাৱে সূতাৰ ভড়ালৰ জৰিয়তে যোগানৰ বাবে বিভিন্ন সংস্থাক সূতা ভড়াল পৰিচালিত কৰাৰ বাবে উৎসাহিত কৰাৰ প্ৰয়োজন। অৱশ্যে সূতাৰ ভড়াল পৰিচালনা ব্যয়ৰ পৰিশোধ ক্ষেত্ৰত "মিল গেট প্ৰাইচ স্কীম"-ৰ অধীনত এন. এইচ. ডি. চি. য়ে যোগান ধৰা সূতাৰ পৰিমাণ আৰু মূল্যহে হিচাব কৰা হ'ব।

**৬-২** পৰিচালনাৰ যোগ্যতা -

দফা ২.১ ত সামৰি লোৱা সকলো সংস্থা এই ভড়াল পৰিচালনাৰ বাবে স্বীকৃত।

**৬-৩** অৱস্থিতি -

এন. এইচ. ডি.চি ৰ সন্মতি সাপেক্ষে সংস্থাসমূহে ভড়াল ৰ স্থান নিৰ্দ্ধাৰণ কৰিব।

**৬-৪** ভড়াল পৰিচালনাৰ বাবে নতুন কৰ্ম্মচাৰী ল'ব নোৱাৰিব যদিও পৰিচালনাৰ বাবদ শতকৰা ২.৫% হাৰে এন. এইচ.ডি.চি য়ে ব্যৱহাৰকাৰী সংস্থা সমূহক ভড়াল পৰিচালনাৰ খৰছৰ ব্যয় হিচাবে পৰিশোধ কৰিব। নিৰ্দ্দিষ্ট প্ৰ-পত্ৰ সম্বলিত এই সংক্ৰান্তীয় নথিপত্ৰ এন. এইচ. ডি.চি য়ে দাখিল কৰাৰ পিছত আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰে প্ৰকৃত খৰছ পৰিশোধ কৰিব।

**৭ চলন্ত গাড়ীৰ ব্যৱস্থাঃ-**

**৭-১** অতি ভিতৰুৱা অঞ্চলৰ শিপিনীক সকাহ দিয়াৰ উদ্দেশ্যে সময়ে সময়ে সেই অঞ্চল সমূহলৈ গাড়ীৰে কেঁচামাল পঠিওৱাৰ ব্যৱস্থা কৰা হয় যাতে সূতা পৰ্য্যাপ্ত পৰিমাণে নোপোৱাৰ বাবে শিপিনী ক্ষতিগ্ৰস্থ নহয়।

**৭-২** যোগ্যতা ঃ-

দফা ২.১ ত উল্লেখিত সকলো সংস্থা গাড়ীৰ দ্বাৰা সূতা যোগানৰ বাবে স্বীকৃত যদিও সূতাৰ ভড়াল পৰিচালনাৰ বাবে ন্যস্ত সংস্থা সমূহ চলন্ত গাড়ীৰ জৰিয়তে সূতা যোগানৰ অনুমতি নাপাব। প্ৰতিখন ৰাজ্যতে যাতে কমেও এখনকৈ চলন্ত গাড়ীৰ এই সুবিধা দিয়াৰ বাবে সৰ্ব্বোচ্চ ৪০ খন চলন্ত গাড়ী প্ৰৱৰ্ত্তনৰহে ব্যৱস্থা ৰখা হৈছে। হস্ততাঁত উন্নয়ন আয়ুক্তৰ অনুমতি সাপেক্ষেহে আৰু অধিক গাড়ী প্ৰৱৰ্ত্তনৰ বাবে বিবেচনা কৰা হ'ব। পৰিকল্পনা আয়োগৰ পৰামৰ্শক্ৰমে হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্য্যালয়ে ভিতৰুৱা অঞ্চল সমূহ চিনাক্ত কৰিব যাতে উল্লেখিত সুবিধা দিব পৰা যায়।

**৭.৩** সাহাৰ্য্য ঃ-

আঁচনিৰ অধীনত এটা সংস্থাই এখন চলন্ত গাড়ী এমাহত ২০ দিনহে ব্যৱহাৰ কৰিব পাৰিব । প্ৰকৃত খৰছ বা এদিনত ১৫০০.০০ টকা যিটোৱে কম হ'ব, সেই মূল্যহে পৰিশোধ কৰা হ'ব। এই গাড়ীৰ জৰিয়তে সূতাও সংগ্ৰহ কৰিব পাৰিব যদিও উল্লেখিত ধনৰ ভিতৰতহে প্ৰযোজ্য হ'ব।

ব্যৱহাৰকাৰী সংস্থা সমূহে চলন্ত গাড়ীৰ পৰিচালনাৰ বাবে কৰা খৰছ এন. এইচ. ডি. চি য়ে পৰিশোধ কৰিব। প্ৰকৃত খৰছৰ ওপৰত ভিত্তি কৰি আৰু দফা ৫.২ ৰ নিয়মাৱলী মৰ্ম্মে নিৰ্দ্দিষ্ট প্ৰ-পত্ৰ সম্বলিত নথি-পত্ৰৰ ভিত্তিত এন.এইচ.ডি.চি য়ে এই ধন ঘুৰাই পাব।

**৮ মনিটৰিং**

হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্য্যালয় আৰু এন.এইচ.ডি.চি ৰ পৰিচালনা মণ্ডলীয়ে নিয়মীয়াকৈ এই আঁচনি তদাৰক কৰিব।

**৯ প্ৰচাৰ**

আঁচনিখনৰ বহুল প্ৰচাৰৰ বাবে স্থানীয় প্ৰচলিত ভাষাৰ বাতৰিকাকত, পুস্তিকা, প্ৰচাৰপত্ৰিকা আদিৰ জৰিয়তে প্ৰকাশ কৰাৰ উপৰিও ক্ৰেতা-বিক্ৰেতাৰ সন্মিলনৰ ব্যৱস্থাও কৰা হ'ব। এই সম্পৰ্কত এন. এইচ. ডি. চি. য়ে যাৱতীয় ব্যৱস্থা ল'ব। ইয়াৰ খৰছৰ বাবদ হস্ততাঁত উন্নয়ন আয়ুক্তৰ কাৰ্য্যালয়ে এন.এইচ.ডি.চি ক ধন পৰিশোধ কৰিব।